## 2.7 যোগান স্থিতিস্থাপকতা : Elasticity of Supply

চাহিদাৰ স্থিতিস্থাপকতাৰ দৰে যোগান স্থিতিস্থাপকতাও গণনা কৰা হয়। সাধাৰণতে দৰক এবিধ নিৰ্ধাৰক হিচাপে লৈহে যোগান স্থিতিস্থাপকতা গণনা কৰা হয়। দৰৰ পৰিবৰ্তনৰ ফলস্বৰূপে যোগানৰ কি পৰিবৰ্তন হয় তাক শতকৰা হাৰত তথা আনুপাতিকভাৱে নিৰূপণ কৰিবলৈ যোগান স্থিতিস্থাপকতা গণনা কৰা হয়।

যোগান স্থিতিস্থাপকতা হ'ল যোগানৰ পৰিমাণৰ আনুপাতিক পৰিবৰ্তন আৰু দৰৰ আনুপাতিক পৰিবৰ্তনৰ অনুপাত। অৰ্থাৎ

$$\text{যোগান স্থিতিস্থাপকতা} = \frac{\text{যোগানৰ আনুপাতিক পৰিবৰ্তন}}{\text{দৰৰ আনুপাতিক পৰিবৰ্তন}}$$

সাংকেতিকভাৱে,

$$Es = \frac{\Delta Q}{\Delta P} : \frac{P}{Q} = \frac{\Delta Q}{Q} \times \frac{P}{\Delta P} = \frac{\Delta Q}{\Delta P} \times \frac{P}{Q}$$

ইয়াত, Es => যোগান স্থিতিস্থাপকতা, P => প্ৰাথমিক দৰ, Q => প্ৰাথমিক যোগান, ΔQ => যোগানৰ পৰিবৰ্তন, ΔP => দৰৰ পৰিবৰ্তন। স্বাভাৱিক অৱস্থাত যোগান স্থিতিস্থাপকতা ধনাত্মক অৰ্থাৎ $Es > 0$



চিত্ৰ নং 2.27

### যোগান স্থিতিস্থাপকতাৰ প্ৰকাৰ

মাত্ৰাৰ ওপৰত ভিত্তি কৰি যোগান স্থিতিস্থাপকতাক পাঁচ প্ৰকাৰত ভাগ কৰা হয়।

1. $Es = 0$ হ'লে দ্ৰব্যবিধৰ যোগান দৰৰ পূৰ্ণ অস্থিতিস্থাপক হয়। এনে দ্ৰব্যৰ যোগানক পূৰ্ণ অস্থিতিস্থাপক যোগান বোলা হয়। অৰ্থাৎ দ্ৰব্যৰ দৰ সলনি হ'লেও ইয়াৰ যোগানৰ মুঠেও পৰিবৰ্তন নহয়।
2. $Es<1$ হ'লে দ্ৰব্য বিধৰ যোগান দৰৰ নিম্নস্থিতিস্থাপক বা অস্থিতিস্থাপক হয়। এনে দ্ৰব্যৰ ক্ষেত্ৰত দৰ পৰিবৰ্তনৰ হাৰতকৈ যোগান পৰিবৰ্তনৰ হাৰ কম হয়।
3. $Es = 1$ হ'লে দ্ৰব্যবিধৰ যোগান দৰৰ একক স্থিতিস্থাপক হয়। একক স্থিতিস্থাপক যোগানৰ ক্ষেত্ৰত দৰ পৰিবৰ্তন আৰু যোগানৰ পৰিবৰ্তনৰ হাৰ সমান হয়।
4. $Es>1$ হ'লে দ্ৰব্যবিধৰ যোগান স্থিতিস্থাপক হয়। স্থিতিস্থাপক যোগানৰ ক্ষেত্ৰত দৰ পৰিবৰ্তনৰ হাৰতকৈ যোগান পৰিবৰ্তনৰ হাৰ অধিক হয়।
5. $Es=\alpha$ হ'লে দ্ৰব্যবিধৰ যোগান পূৰ্ণ স্থিতিস্থাপক হয়। পূৰ্ণস্থিতিস্থাপক যোগানৰ ক্ষেত্ৰত দৰৰ সামান্য হ্ৰাস হ'লে যোগান অসীমভাৱে বৃদ্ধি পায়।





উল্লিখিত পাঁচপ্ৰকাৰ যোগান স্থিতিস্থাপকতা যোগান ৰেখাৰ কোনো এক নিৰ্দিষ্ট বিন্দুত তুলনা কৰি দেখুৱাব পাৰি। চিত্ৰ নং 2.27 ত এক নিৰ্দিষ্ট দৰৰ বিপৰীতে এই পাঁচ প্ৰকাৰ যোগান স্থিতিস্থাপকতা প্ৰতিনিধিত্ব কৰা যোগান ৰেখা অংকন কৰি দেখুউৱা হৈছে।

চিত্ৰত E বিন্দুটোৱে ভিন্ন যোগান ৰেখাৰ বেলিকা ভিন্ন যোগান স্থিতিস্থাপকতাৰ প্ৰতিনিধিত্ব কৰিছে। অৰ্থাৎ, OP দৰৰ বিপৰীতে E বিন্দুত $S_1$ হ'ল পূৰ্ণ-অস্থিতিস্থাপক যোগান ৰেখা ৰেখা, $S_2$ হ'ল অস্থিতিস্থাপক যোগান ৰেখা, $S_3$ হ'ল একক স্থিতিস্থাপক যোগান ৰেখা, $S_4$ হ'ল স্থিতিস্থাপক যোগান ৰেখা আৰু $S_5$ হ'ল অসীম স্থিতিস্থাপক যোগান ৰেখা।



চিত্ৰ নং 2.28

### বিন্দু যোগান স্থিতিস্থাপকতা পদ্ধতি (Point method of supply elasticity)

যোগান ৰেখা কোনো বিন্দুত স্থিতিস্থাপকতা নিৰ্ণয় কৰিবলৈ বিন্দু স্থিতিস্থাপকতা পদ্ধতি প্ৰয়োগ কৰা হয়। 2.28 নং চিত্ৰত SS যোগান ৰেখাৰ ওপৰত R বিন্দুত যোগান স্থিতিস্থাপকতা নিৰ্ণয় কৰিবলৈ দ্ৰব্যবিধৰ দৰ OP ৰ পৰা $OP_1$ লৈ বৃদ্ধি কৰাত ইয়াৰ যোগান OQ ৰ পৰা $OQ_1$ লৈ বৃদ্ধি পালে। যোগান স্থিতিস্থাপকতা নিৰ্ণয় কৰা সূত্ৰত সংশ্লিষ্ট মানসমূহ বহুৱাত পোৱা গ'ল —

$$Es = \frac{RK}{TK} \times \frac{RQ}{OQ} \qquad (1)$$

ΔRTK আৰু ΔERQ পৰা দেখা গৈছে —

$\angle RUQ = \angle TRK$ (একান্তৰ কোণ)

$\angle UQR = \angle RKT$ (সমকোণ)

$\angle URQ = \angle RTK$ (একান্তৰ কোণ)

গতিকে ΔERQ আৰু ΔRTK ত্ৰিভূজ দুটা সদৃশ। সেয়েহে সদৃশ ত্ৰিভূজৰ ধৰ্ম অনুসৰি - RK/TK = UQ/RQ। এই মান (1) ত বহুৱাই পাওঁ -

2.26 নং চিত্ৰত E বিন্দুত বিভিন্ন মাত্ৰাৰ চাহিদা তিৰ্যক স্থিতিস্থাপকতা প্ৰতিনিধিত্ব কৰা চাহিদা ৰেখা পৰিপূৰক আৰু প্ৰতিকল্প দ্ৰব্যৰ ক্ষেত্ৰত পৃথকে দেখুউৱা হ'ল।

চাহিদা তিৰ্যক স্থিতিস্থাপকতাৰ গুৰুত্ব **(Importance of cross elasticity of demand)**

চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতা ধাৰণাটোৰ বিভিন্ন ব্যাৱহাৰিক আৰু তাত্ত্বিক গুৰুত্ব আছে। সেইবোৰ হ'ল —

1. চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতাৰ সহায়ত দ্ৰব্যৰ মাজত কোনো সম্পৰ্ক আছেনেকি জানিব পাৰি। দুবিধ দ্ৰব্যৰ মাজত গণনা কৰা চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতা শূন্য নোহোৱাটোৱে বুজায় যে বিবেচিত দ্ৰব্য দুবিধৰ সম্পৰ্ক আছে। অৰ্থাৎ এটা যে আনটোৰ দ্বাৰা প্ৰভাবিত তাক চাহিদা তিৰ্যক স্থিতিস্থাপকতাৰ গণনাৰ জৰিয়তে জানিব পাৰি। আনহাতে চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতা শূন্য হোৱাটোৱে বুজায় যে বিবেচিত দ্ৰব্য দুবিধ পৰস্পৰ স্বতন্ত্ৰ, অৰ্থাৎ এটা আনটোৰ পৰা প্ৰভাৱমুক্ত।
2. চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতাৰ সহায়ত দ্ৰব্যৰ শ্ৰেণীকৰণ কৰিব পাৰি। তিৰ্যক স্থিতিস্থাপকতা ঋণাত্মক হোৱাটোৱে বুজায় যে বিবেচিত দ্ৰব্য দুবিধ পৰিপূৰক দ্ৰব্য। আনহাতে চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতা ধনাত্মক হোৱাটোৱে বুজায় যে বিবেচিত দ্ৰব্য দুবিধ প্ৰতিকল্প দ্ৰব্য।
3. চাহিদা তিৰ্যক স্থিতিস্থাপকতাৰ সহায়ত দ্ৰব্যৰ বজাৰক শ্ৰেণীকৰণ কৰা হয়। কোনো এবিধ দ্ৰব্যৰ চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতা শূন্য হ'লে বিবেচিত দ্ৰব্যবিধৰ বজাৰক একাধিকাৰ বজাৰ (Monopoly) বোলা হয়। আনহাতে, চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতা শূন্যতকৈ ডাঙৰ হ'লে হ'লে বিবেচিত দ্ৰব্যবিধৰ বজাৰ একাধিকাৰ প্ৰতিযোগিতামূলক হয়। তদুপৰি চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতা অসীম হ'লে বিবেচিত দ্ৰব্যবিধৰ বজাৰ পূৰ্ণ প্ৰতিযোগিতামূলক হয়।
4. একচেটিয়া অধিকাৰ নিৰূপণত চাহিদা তিৰ্যক স্থিতিস্থাপকতা গণনা কৰা হয়। কোনো এজন উৎপাদনকাৰীয়ে উৎপাদন কৰা দ্ৰব্যৰ চাহিদা তিৰ্যক স্থিতিস্থাপকতা যিমানে বেছি হয়, তেওঁৰ একচেটিয়া অধিকাৰো সিমানে বাঢ়ে।
5. একাধিকাৰ প্ৰতিযোগী প্ৰতিষ্ঠানে চাহিদা তিৰ্যক স্থিতিস্থাপকতাৰ সহায়ত আন প্ৰতিষ্ঠানৰ লগত থকা পৰস্পৰ নিৰ্ভৰশীলতাৰ মাত্ৰা নিৰূপণ কৰিব পাৰে। ইয়াৰ যোগেদি একাধিকাৰ প্ৰতিযোগী উদ্যোক্তাই দৰ আৰু উৎপন্ন বিষয়ক সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।
6. পৰস্পৰ নিৰ্ভৰশীল তিনিটা বা তাতোধিক চলকৰ উপস্থিত থকা অৱস্থাত মাথো দুটা চলকৰ মাজৰ পৰস্পৰ নিৰ্ভৰশীলতা শতকৰা হিচাপত জানিবলৈ চাহিদা তিৰ্যক স্থিতিস্থাপকতা ধাৰণা প্ৰয়োগ কৰা হয়। উদাহৰণস্বৰূপে, বিস্কুটৰ উৎপাদন নিৰ্ভৰ কৰে ঘেঁহুৰ উৎপন্নৰ ওপৰত। আনহাতে, ঘেঁহুৰ উৎপন্ন নিৰ্ভৰ কৰে সাৰ প্ৰয়োগৰ মাত্ৰাৰ ওপৰত। গতিকে বিস্কুটৰ উৎপন্ন আৰু প্ৰয়োগ কৰা সাৰৰ মাজত শতকৰা সম্পৰ্ক জানিবলৈ চাহিদা তিৰ্যক স্থিতিস্থাপকতা ধাৰণা প্ৰয়োগ কৰিব পাৰি।

প্ৰতিষ্ঠানে নিজাকৈ দৰ নিয়ন্ত্ৰণ ...
সেয়ে ইয়াত প্ৰতিষ্ঠান এখনক দৰ গ্ৰহীতা হিচাপে ...
এখনে দৰ নিয়ন্ত্ৰণ কৰিব পাৰে। প্ৰতিষ্ঠান খনে দৰ কমাই দ্ৰব্যবিধ ... পাৰে। বা দ্ৰব্যবিধ কমাই উৎপাদন কৰি অধিক দৰত বিক্ৰী কৰৰ সিদ্ধান্ত ল'ব পাৰে। ... ব্যৱস্থাত প্ৰতিষ্ঠান এখনে উৎপাদন কাৰ্য বা যোগান কাৰ্য সম্পন্ন কৰিছে সেইটো জানিলেহে প্ৰতিষ্ঠান এখন ... মুনাফা সৰ্বাধিক কৰাৰ পৰিস্থিতিটো কেনেকুৱা হ'ব আৰু কিমানখিনি দ্ৰব্য সামগ্ৰী উৎপাদনৰ সিদ্ধান্ত ল' ... সেইটো দেখুৱাব পৰা যাব। এই আলোচনাত বিবেচিত প্ৰতিষ্ঠাখন প্ৰতিযোগী বজাৰত ভাগ লোৱা এখ... প্ৰতিষ্ঠান বুলি ধৰি লোৱা হওক।

প্ৰথম গোটৰ আলোচনাতে প্ৰতিযোগী বজাৰ আৰু তথা প্ৰতিযোগী বজাৰৰ বিষয়ে আলোচনা ক... হৈছে। ইয়াত দেখা গৈছে প্ৰতিযোগী বজাৰত প্ৰধান বৈশিষ্ট্য হ'ল

(1) অসংখ্য প্ৰতিষ্ঠানে বিক্ৰি কাৰ্যত ভাগ লয় আৰু সেয়েহে কোনো প্ৰতিষ্ঠানে নিজাকৈ যোগ... হ্ৰাস-বৃদ্ধি কৰি বজাৰ দৰৰ ওপৰত প্ৰভাৱ পেলাব নোৱাৰে।

(2) এই বজাৰত অসংখ্য গ্ৰাহকে ক্ৰেতা হিচাপে অংশগ্ৰহণ কৰে আৰু কোনো ক্ৰেতাই ব্যক্তিগতভ... ক্ৰয়ৰ পৰিমাণ হ্ৰাস-বৃদ্ধি কৰি বজাৰৰ দৰৰ ওপৰত প্ৰভাৱ পেলাব নোৱাৰে।

(3) প্ৰতিখন প্ৰতিষ্ঠানে আকৃতি আৰু প্ৰকৃতিত সম্পূৰ্ণ একে দ্ৰব্য বিক্ৰি কৰে।

(4) পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত কোনো পৰিবহণ বা যোগাযোগ ব্যয় নাথাকে বা এনে... থাকিলেও প্ৰতিখন প্ৰতিষ্ঠানৰ বাবে সমান হয়।

(5) বজাৰৰ গতিবিধি সম্পৰ্কে ক্ৰেতা আৰু বিক্ৰেতা উভয়ৰে সম্পূৰ্ণ জ্ঞান থাকে।

উল্লিখিত বৈশিষ্ট্যসমূহৰ বাবেই পূৰ্ণ প্ৰতিযোগী বজাৰত প্ৰতিষ্ঠান এখনে দৰ গ্ৰহীতাৰ (price ta... ভূমিকা পালন কৰে। অৰ্থাৎ যোগান আৰু চাহিদাৰ সমাযোজনৰ জৰিয়তে যি দৰ নিৰূপিত হয় সেই ... প্ৰতিষ্ঠানখনে উৎপাদন তথা যোগানৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেয়েহে প্ৰতিষ্ঠান এখনৰ বাবে সকলো প... বিক্ৰিৰ বিপৰীতে গড় আয় সদায় সমান।

এতিয়া প্ৰশ্ন হ'ল গড় আয় কেনেকৈ নিৰূপণ কৰা হয়। গড় আয় হ'ল মুঠ বিক্ৰি আয় আৰু বিক্ৰি... দ্ৰব্যৰ পৰিমাণৰ অনুপাত। অৰ্থাৎ—

$$\text{গড় আয়} = \frac{\text{মুঠ আয়}}{\text{বিক্ৰিৰ পৰিমাণ}}$$

প্ৰতিযোগী বজাৰত বিক্ৰী হোৱা দ্ৰব্য এবিধৰ দৰ 6 টকা ধৰি লৈ 4.13 নং তালিকাত প্ৰতি... প্ৰতিষ্ঠান এখনৰ মুঠ আয়, গড় আয় আৰু প্ৰান্তীয় আয় নিৰূপণ কৰি দেখুউৱা হৈছে। 4.24 নং চিত্ৰ... গৈছে প্ৰতিযোগী উদ্যোগৰ যোগান আৰু চাহিদাৰ সমতাৰ জৰিয়তে বিবেচিত দ্ৰব্যবিধৰ উল্লিখিত বজ... টকাত নিৰূপণ হৈছে। আৰু প্ৰতিষ্ঠানখনে যি পৰিমাণে বিক্ৰি নকৰক ইয়াৰ পৰা লাভ কৰা গড় আয় 6 ... অপৰিৱৰ্তিত হৈ আছে। এই দ্ৰব্যবিধৰ দৰ নিৰ্ধাৰিত হয় দ্ৰব্যবিধৰ বজাৰৰ যোগান আৰু চাহিদাৰ সমতাৰ জ...

উপাদানৰ প্ৰান্তীয় উৎপাদিকা শক্তিও ক্ৰমান্বয়ে কমি আহে। প্ৰান্তীয় উৎপাদিকা শক্তি পূৰ্বৰ অৱস্থাত অব্যাহত ৰাখিবলৈ অধিক হাৰত পৰিৱৰ্তনশীল ব্যয় বৃদ্ধি কৰিবলগীয়া হয়। সেয়েহে নিম্নতম অৱস্থাৰ পাছত উৎপাদন বৃদ্ধি অব্যাহত ৰাখিলে গড় উৎপাদন ব্যয় ৰেখাৰ ঢাল ধনাত্মক হয়। আন এটা মন কৰিবলগীয়া দিশ হ'ল যে, উৎপাদন কাৰ্যত স্থিৰ উপাদানে যি সেৱা আগবঢ়ায়, তদানুৰূপ সেৱা পৰিৱৰ্তনশীল উপাদানে আগবঢ়াব নোৱাৰে। সেয়েহে হ্ৰস্বকালত স্থিৰ উপাদানৰ পূৰ্ণ প্ৰয়োগ ঘটাৰ পিছত পৰিৱৰ্তনশীল উপাদান বৃদ্ধি কৰিলেও এই পৰিৱৰ্তনশীল উপাদান স্থিৰ ব্যয়ৰ পূৰ্ণ প্ৰতিকল্প নোহোৱা বাবে গড় ব্যয়ৰ সম্প্ৰসাৰণ ঘটে। গতিকে কিছুমান অৰ্থনীতিবিদে স্থিৰ উপাদানৰ অপ্ৰতিকল্পযোগ্যতাই SAC ৰেখাক 'U' আকৃতিৰ হোৱাত অৰিহণা যোগায় বুলি দাবী কৰিছে।

ওপৰৰ আলোচনাৰ আধাৰত ক'ব পাৰি যে স্থিৰ উপাদানৰ অবিভাজ্যতাই SAC ৰেখাৰ নিম্নমুখী গতি আৰু ইয়াৰ অপ্ৰতিকল্প যোগ্যতাই SAC ৰেখাৰ উৰ্ধমুখী গতিৰ নিৰ্ধাৰণ কৰে।

## 4.6 হ্ৰস্বকালীন উৎপাদন সিদ্ধান্ত (Short Run Out-put Decisions):

প্ৰতিষ্ঠান এটাই উৎপাদন কাৰ্য চলাই যোৱাৰ আঁৰত থকা প্ৰধান উদ্দেশ্যটো হ'ল মুনাফা সৰ্বাধিক কৰা। গতিকে মুনাফা সৰ্বাধিক কৰা অৱস্থাতে প্ৰতিষ্ঠান এটাই উৎপাদনৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই মুনাফা স্বাভাৱিক মুনাফাও হ'ব পাৰে বা অস্বাভাৱিক মুনাফাও হ'ব পাৰে। বিক্ৰী আয় আৰু উৎপাদন ব্যয় সমান হোৱা অৱস্থাত যি মুনাফা উদ্ভৱ হয় সেয়া স্বাভাৱিক মুনাফা আনহাতে মুঠ বিক্ৰী আয় আৰু মুঠ উৎপাদন ব্যয়ৰ পাৰ্থক্যক অস্বাভাৱিক মুনাফা বোলা হয়। অস্বাভাৱিক মুনাফাক অৰ্থনৈতিক মুনাফা বুলিও কোৱা হয়। প্ৰতিযোগী বজাৰত দীৰ্ঘকালত সদায় স্বাভাৱিক মুনাফা আহৰণ কৰা অৱস্থাতহে প্ৰতিষ্ঠান এটাই উৎপাদন সিদ্ধান্ত গ্ৰহণ কৰে। স্বাভাৱিক মুনাফাৰ বৈশিষ্ট্য হ'ল যে এই মুনাফা আহৰণ কৰা অৱস্থাত গড় বিক্ৰী আয় আৰু গড় উৎপাদন ব্যয় সমান হয়। অন্য অৰ্থত প্ৰতিযোগী বজাৰত প্ৰতিষ্ঠান এটাই দীৰ্ঘকালত ইয়াৰ উৎপাদন ব্যয় পূৰণ কৰিব পৰা অৱস্থাত উৎপাদনৰ সিদ্ধান্ত গ্ৰহণ কৰে। উৎপাদন ব্যয়তকৈ বিক্ৰী আয় অধিক হৈ থকা অৱস্থাত অস্বাভাৱিক মুনাফাৰ উদ্ভৱ হয় আৰু ই প্ৰতিষ্ঠানখনক অধিক উৎপাদন কৰিবলৈ উৎসাহিত কৰে। এনেকৈ অস্বাভাৱিক মুনাফাৰ উদ্ভৱ হোৱা অৱস্থাত প্ৰতিখন প্ৰতিষ্ঠানে নিজৰ উৎপাদন বৃদ্ধি কৰাই নহয় নতুন প্ৰতিষ্ঠানেও বজাৰত প্ৰৱেশ কৰে। ইয়াৰ যোগেদি যোগান বৃদ্ধি পায় আৰু যোগান বৃদ্ধি পোৱা অৱস্থাত দৰ কমে। আৰু শেষত গৈ প্ৰতিযোগী বজাৰত গড় উৎপাদন ব্যয় আৰু আয় সমান হোৱা অৱস্থাত বা স্বাভাৱিক মুনাফা আহৰণ কৰা অৱস্থাত উৎপাদনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

ওপৰৰ আলোচনাত প্ৰকাশ পাইছে যে প্ৰতিষ্ঠান এখনে কিমান উৎপাদন কৰিব সেই আচৰণ পৰিচালিত হয় মুনাফাৰ দ্বাৰা আৰু মুনাফা সৰ্বাধিক হোৱা অৱস্থাতে উৎপাদনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মুনাফা কেতিয়া সৰ্বাধিক হয় তাৰ বাবে প্ৰতিষ্ঠানখনৰ উৎপাদন ব্যয় আৰু বিক্ৰী আয়ৰ প্ৰকৃতি জানিব লাগিব। সকলো বজাৰ ব্যৱস্থাতে প্ৰতিষ্ঠানৰ বাবে উৎপাদন ব্যয়ৰ প্ৰকৃতি একে হ'লেও বিক্ৰী আয়ৰ প্ৰকৃতি একে নহয়। কাৰণ বজাৰভেদে প্ৰতিষ্ঠানৰ দৰ নিয়ন্ত্ৰণৰ সামৰ্থ ভিন্ন হয় আৰু সেয়েহে বিক্ৰী আয়ো ভিন্ন হয়। পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত

সামৰ্থ প্ৰয়োগ নহয়। সেয়েহে হ্ৰস্বকালত উৎপাদন বৃদ্ধি কৰিলেও এই স্থিৰ উপাদানসমূহ পুনঃ পুনঃ প্ৰয়োগ কৰিবলগীয়া নহয়, কিন্তু পৰিবৰ্তনশীল উপাদান বৃদ্ধি কৰি উপাদান ক্ৰমশঃ বৃদ্ধি কৰি গৈ থাকিলে এসময়ত স্থিৰ উপাদানৰ পূৰ্ণ প্ৰয়োগ ঘটে। হ্ৰস্বকালত স্থিৰ উপাদানৰ প্ৰতিকল্প হিচাপে পৰিবৰ্তনশীল উপাদান প্ৰয়োগ কৰিব নোৱাৰি। যি অৱস্থাৰ পাছত অতিৰিক্ত উৎপাদন কৰিবলৈ স্থিৰ উপাদান বৃদ্ধি কৰিবলগীয়া হয় তেনে অৱস্থাত উৎপাদন কাৰ্য দীৰ্ঘকালৰ অধীন হৈ পৰে। দীৰ্ঘকালত স্থিৰ উপাদানসমূহ পৰিবৰ্তন কৰাৰ লগে লগে স্থিৰ ব্যয় পৰিবৰ্তনশীল ব্যয়লৈ ৰূপান্তৰ হয়; সেয়েহে দীৰ্ঘকালত স্থিৰ ব্যয়ৰ উদ্ভৱ নহয়। অন্য অৰ্থত স্থিৰ ব্যয় আৰু পৰিবৰ্তনশীল ব্যয়ৰ বিভাজন কেৱল হ্ৰস্বকালৰ বাবেহে প্ৰাসংগিক। হ্ৰস্বকাল বুলিলে বিশেষ সময় সীমা নাথাকে। স্থিৰ ব্যয় পৰিবৰ্তনশীল হৈ পৰা সময় সীমাতে হ্ৰস্বকালৰ সময় সীমা নিৰূপণ হয়।

## হ্ৰস্বকালীন গড় উৎপাদন ব্যয় ৰেখা 'U' আকৃতিৰ হয় কিয় ?

**(Why is the short-run AC is U-shaped?)**

হ্ৰস্বকালীন গড় উৎপাদন ব্যয় ৰেখাৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল যে 'U' ই আকৃতিৰ। 'U' আকৃতিৰ গড় উৎপাদন ব্যয় ৰেখা (SAC)- এ নিৰ্দেশ কৰে যে উৎপাদন প্ৰক্ৰিয়াৰ আৰম্ভণিতে উৎপন্নৰ বৃদ্ধিৰ বিপৰীতে গড় উৎপাদন ব্যয় ক্ৰমান্বয়ে কমে। কালক্ৰমত ই নিম্নতম অৱস্থা লাভ কৰাৰ পাছত উৎপন্ন বৃদ্ধিৰ লগে লগে গড় উৎপাদন ব্যয় বাঢ়ে। 4.23 নং চিত্ৰৰ পৰা SAC ৰেখাৰ এই আকাৰ সম্পৰ্কে ধাৰণা কৰিব পাৰি। হ্ৰস্বকালীন গড় উৎপাদন ব্যয় ৰেখা 'U' আকৃতিৰ হোৱা প্ৰধান কাৰণ হ'ল।

(ক) গড় স্থিৰ ব্যয় আৰু গড় পৰিবৰ্তনশীল ব্যয়ৰ যুটীয়া প্ৰভাৱে SAC (Short-run Average Cost) ৰেখাক 'U' আকৃতিৰ কৰি তোলে। যেতিয়ালৈকে গড় স্থিৰ ব্যয়, গড় পৰিবৰ্তনশীল ব্যয়তকৈ অধিক হয় তেতিয়ালৈকে SAC ৰেখা নিম্নগামী হয়। গড় স্থিৰ ব্যয় আৰু গড় পৰিবৰ্তনশীল ব্যয় সমান হোৱা অৱস্থাত SAC ৰেখাই নিম্নতম অৱস্থা লাভ কৰে। ইয়াৰ পাছত উৎপদন বঢ়াৰ লগে লগে SAC ৰেখাই ওপৰলৈ গতি কৰে।

(খ) হ্ৰস্বকালতো এখন প্ৰতিষ্ঠানে আভ্যন্তৰিণ মিতব্যয়িতা আৰু অমিতব্যয়িতাৰ সন্মুখীন হয়। ইয়াত অৰিহণা যোগায় স্থিৰ উপাদানৰ অবিভাজ্যতা আৰু অপ্ৰতিকল্পযোগ্যতা চৰিত্ৰই। অবিভাজ্য হোৱাৰ কাৰণে উৎপাদনৰ আৰম্ভণিতে স্থিৰ উৎপাদন সমূহ পূৰ্ণ ৰূপত ব্যৱহাৰ কৰিবলগীয়া হয়। কিন্তু ইয়াৰ সামৰ্থ পূৰ্ণভাৱে প্ৰয়োগ নহয়। সেয়েহে পৰিবৰ্তনশীল উপাদান বৃদ্ধি কৰি হ্ৰস্বকালত উৎপাদন বৃদ্ধি কৰিলেও স্থিৰ উপাদানৰ ওপৰত পুনঃ পুনঃ ব্যয় কৰা নহয়। আনহাতে উৎপাদনৰ আৰম্ভণিতে স্থিৰ উপাদানৰ প্ৰান্তীয় উৎপাদনশীলতা যথেষ্ট বেছি হোৱা বাবে পৰিবৰ্তনশীল ব্যয় সামান্য বৃদ্ধি কৰিয়েই উৎপাদন অধিক বৃদ্ধি কৰিব পাৰি। সেয়েহে গড় উৎপাদন ব্যয় দ্ৰুত গতিত সংকুচিত হয়। অৰ্থাৎ আভ্যন্তৰীণ মিতব্যয়িতাৰ উদ্ভৱ হয়। ইয়াৰ পৰিণামস্বৰূপে উৎপাদনৰ আৰম্ভণিতে SAC ৰেখাৰ ঢাল ঋণাত্মক হয়। কিন্তু আভ্যন্তৰিণ মিতব্যয়িতা লাভৰ এটা সীমা আছে। স্থিৰ উপাদান একে থকা অৱস্থাত পৰিবৰ্তনশীল উপাদান বৃদ্ধি কৰা হেতুকে স্থিৰ উপাদানৰ অব্যৱহৃত সামৰ্থৰ পূৰ্ণ প্ৰয়োগ ঘটে আৰু সেয়ে পৰিবৰ্তনশীল

**স্থিৰ ব্যয় আৰু পৰিবৰ্তনশীল ব্যয় বিভাজনৰ তাৎপৰ্য**

**(Practical use of the differentiation of fixed cost and variable cost)**

ব্যৱসায় তথা উৎপাদন সম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণৰ দিশৰ পৰা স্থিৰ ব্যয় আৰু পৰিবৰ্তনশীল ব্যয় বিভাজনৰ যথেষ্ট গুৰুত্ব আছে। এই গুৰুত্ব থকা বাবে স্থিৰ ব্যয় আৰু পৰিবৰ্তনশীল ব্যয়ৰ ওপৰত পৃথক হিচাপ সংৰক্ষণ কৰা হয়। এই বিভাজনে গুৰুত্ব লাভ কৰা প্ৰধান দিশসমূহ হ'ল —

(ক) কেতিয়াবা উৎপাদনকাৰীয়ে বজাৰ পৰিস্থিতিৰ লগত সংগতি ৰাখি উৎপন্নৰ পৰিমাণ সালসলনি কৰিবলগীয়া হয়। কোনবিলাক ব্যয় পৰিবৰ্তনৰ যোগেদি উৎপাদন হ্ৰাস-বৃদ্ধি কৰিব পৰা যাব তাৰ ওপৰত তৎকালীন সিদ্ধান্ত গ্ৰহণ কৰাটো তেতিয়াহে সম্ভৱ হ'ব, যেতিয়া স্থিৰ ব্যয় আৰু পৰিবৰ্তনশীল ব্যয়ৰ হিচাপ পৃথকে সংৰক্ষিত কৰা হয়।

(খ) হ্ৰস্বকালত প্ৰতিষ্ঠান এখনৰ উৎপন্নৰ পৰিমাণ সালসলনি কৰাৰ সামৰ্থ কিমান তাক জানিবলৈ উৎপাদন ব্যয়ৰ প্ৰতিক্ৰিয়াশীলতাৰ মাত্ৰা জনাটো প্ৰয়োজন হয়। এনে প্ৰতিক্ৰিয়াশীলতা নিৰ্ণয় কৰিবলৈ সুকীয়াকৈ পৰিবৰ্তনশীল ব্যয় গণনা কৰিবলগীয়া হয়। কাৰণ হ্ৰস্বকালত কেৱল পৰিবৰ্তনশীল ব্যয়েহে উৎপাদন পৰিবৰ্তনত অৰিহণা যোগায়।

(গ) যিকোনো বজাৰ ব্যৱস্থাতে চাহিদা দ্ৰুত পতনৰ বাবে হ্ৰস্বকালত উদ্ভৱ হোৱা লোকচানৰ উপস্থিতিত উৎপাদন কাৰ্য অব্যাহত ৰখা হ'বনে, বৃদ্ধি কৰা হ'ব সেই সিদ্ধান্ত গ্ৰহণ কৰা হয় গড় পৰিবৰ্তনশীল ব্যয়ৰ লগত প্ৰচলিত বজাৰ দৰ তুলনা কৰি। যদি প্ৰচলিত বজাৰৰ দৰতকৈ গড় পৰিবৰ্তনশীল ব্যয় কম হয় তেতিয়া উৎপাদন কাৰ্য সাময়িকভাৱে স্থগিত ৰখা হয়।

(ঘ) হ্ৰস্বকালত প্ৰতিষ্ঠান এখনে কেতিয়া সৰ্বাধিক লাভ কৰে বা কেতিয়া উৎপাদন ব্যয় সৰ্বনিম্ন হয় তাক নিৰ্ণয় কৰিবলৈ ভাৰসাম্য অৱস্থা নিৰ্ধাৰণ কৰা হয়। প্ৰতিষ্ঠানৰ প্ৰান্তীয় আয় প্ৰান্তীয় ব্যয় সমান হোৱা অৱস্থাত আৰু প্ৰান্তীয় ব্যয় ৰেখাই প্ৰান্তীয় আয় ৰেখাক তলৰ পৰা ছেদ কৰা অৱস্থাত ভাৰসাম্য ৰক্ষা হয়। এই ভাৰসাম্য অৱস্থাত লাভ-লোকচান উলিয়াবলৈ গড় উৎপাদন ব্যয় জনাটো প্ৰয়োজন হয়। সাধাৰণতে প্ৰতিষ্ঠানৰ হ্ৰস্বকালীন গড় উৎপাদন ব্যয় ৰেখা 'U' আকৃতিৰ হয়। গড় উৎপাদন ব্যয় ৰেখা কিয় 'U' আকৃতিৰ হয় তাক ব্যাখ্যা কৰিবলৈ স্থিৰ ব্যয় আৰু পৰিবৰ্তনশীল ব্যয়ৰ মাজৰ সম্পৰ্ক আৰু পাৰ্থক্য জানিবলগীয়া হয়। কাৰণ স্থিৰ ব্যয় আৰু পৰিবৰ্তনশীল ব্যয়ৰ যুটীয়া পৰিণামে হ্ৰস্বকালীন উৎপাদন ব্যয় ৰেখা 'U' আকৃতি হোৱাত সহায় কৰে।

**স্থিৰ ব্যয় কিয় কেৱল হ্ৰস্বকালতহে উদ্ভৱ হয়?**

**(Why fixed cost exists only in the short run?)**

স্থিৰ ব্যয়ৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল যে ই কেৱল হ্ৰস্বকালতহে উদ্ভৱ হয়। দীৰ্ঘকালত স্থিৰ ব্যয় নাথাকে। দীৰ্ঘকালত সকলো ব্যয়েই পৰিবৰ্তনশীল ব্যয় হৈ পৰে। কিয়নো উৎপাদনত এনে কিছুমান উপাদান প্ৰয়োগ কৰিবলগীয়া হয়, যিবোৰ অবিভাজ্য আৰু অপ্ৰতিকল্পযোগ্য। উৎপাদনৰ আৰম্ভণিতেই ইয়াৰ সম্পূৰ্ণ